**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-11-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**----------------------**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল কালি বিশ্ব ঐতিহ্য সপ্তাহ উদযাপনৰ অংশ হিচাপে চৰাইদেউ মৈদামত উপস্থিত হৈ প্ৰত্নতত্ব বিভাগৰ বিষয়াসকলৰ পৰা মৈদামৰ বিভিন্ন দিশ সম্পৰ্কে বুজ লয়।

মৈদামক্ষেত্ৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মৈদামথলীৰ চৌহদত থকা স্থায়ী চাও-চি ৰেন গৃহত বন্তি প্ৰজ্বলন কৰাৰ লগতে টাই-মলুং পণ্ডিতৰ মন্ত্ৰোচ্চাৰণৰ মাজতে আহোম স্বৰ্গদেউসকলৰ পূৰ্বপুৰুষক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী সোণোৱালে লগতে চৰাইদেউৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰাৰ বাবে আনন্দ প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীৰ সৈতে ভ্ৰমণকালত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে, চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ বাবে নথি-পত্ৰ যুগুত কৰা ডঃ কে চি ন'ৰিয়েললৈ টাই-আহোম যুৱ ছাত্ৰ পৰিষদে লাচিত বৰফুকন বঁটা, ২০২৪ ঘোষণা কৰিছে।

ooooo

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে। ২৬ জানুৱাৰীৰ গণ্যৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে নিৰাপত্তাজনিত কাৰণত খেলপথাৰখন ব্যৱহাৰৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ তৎপৰতাত খেলপথাৰখনত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গৃহ বিভাগে পূৰ্বৰ নিৰ্দিষ্ট সময়তকৈ দুটা দিন আগুৱাই গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে। প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব। সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে।

oooooo

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি-কামাখ্যা গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা কালি পিঞ্জৰাবদ্ধ কৰা বাঘটোক কলং নৈৰ পাৰত আশ্ৰয় লৈ থকা অৱস্থাত শিলগুটি দলিয়াই আহত কৰাৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে যোৱানিশা ৯ জন লোকক আটক কৰে। ঘটনাটোৰ ভিডিঅ' ফুটেজৰ আধাৰত চিনাক্ত কৰা এনে একাংশ লোকৰ বাসগৃহত কালি আৰক্ষীয়ে অভিযান চলায়। বাঘটোক আক্ৰমণ কৰা ঘটনাৰ সৈতে জড়িত থকা বুলি আৰক্ষীয়ে চিনাক্ত কৰা লোককেইজন হ'ল- জয়ন্ত সেন, বাহাদুৰ ছাহানী, সন্তোষ গৌৰ, দুৰ্গা গোড়, নিখিল ছাহানী, ভোলা ছাহানী আৰু নৰেশ ছাহানী। এই আটাইকেইজন লোকেই জখলাবন্ধা এলেকাৰ বাসিন্দা। আনহাতে বিকাশ মাহাতো, সম্ভু গোড় আৰু মহম্মদ আৰবাজ কুৰেছী নামৰ আন তিনিজন লোককো আৰক্ষীয়ে সোধা-পোছা কৰি আছে। ঘটনাটোৰ সৈতে জড়িত বুলি প্ৰমাণিত হোৱা লোকৰ বিৰুদ্ধে আইনী কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, বিগত প্ৰায় ছমাহ ধৰি অঞ্চলটোত বাঘৰ মুক্ত বিচৰণত অঞ্চলবাসীৰ মাজত ত্ৰাসৰ সৃষ্টি হোৱাৰ পাছত বন বিভাগে কালি এটা বাঘক পিঞ্জৰাবদ্ধ কৰে। বাঘটোৱে চকু আৰু ভৰিত আঘাত পোৱা বুলি অঞ্চলবাসীয়ে প্ৰত্যক্ষ কৰিছিল। পাছত বাঘটোক চিকিৎসাৰ বাবে কাজিৰঙা বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ নিয়া হয় বুলি আকাশবাণীৰ নগাঁৱৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

কাজিৰঙাত অহা ২৭ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কেইবাখনো আলোচনাসত্ৰ আৰু বৈঠক অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু হস্ততাঁত দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। উল্লেখযোগ্য যে অতিথিসকলে ২৬ নৱেম্বৰত ডিব্ৰুগড় বিমানবন্দৰত অৱতৰণ কৰাৰ পাছত তেওঁলোকক বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম পৰিদৰ্শন কৰিবলৈ লৈ যোৱা হ'ব। কাজিৰঙালৈ ৰাওনা হোৱাৰ পূৰ্বে তেওঁলোকে শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰো দৰ্শন কৰিব।

পৰ্যটন মন্ত্ৰালয়ৰ সচিব ভি বিদ্যাৱতীয়ে ২৭ নৱেম্বৰৰ পুৱা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰিব। পৰ্যটন মেলাৰ লগত সংগতি ৰাখি কাজিৰঙাৰ কঁহৰাৰ সভাগৃহত উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ চৰকাৰৰ তৰফৰ পৰা প্ৰত্যেকখন ৰাজ্যৰ পৰ্যটন ব্যৱস্থাক উপস্থাপন কৰাৰো দিহা কৰা হৈছে। দ্বিতীয় দিনা মেলাত অংশগ্ৰহণ কৰিবলৈ আহিবলগীয়া সন্মানীয় অতিথি তথা প্ৰতিনিধিসকলে কাজিৰঙা বনাঞ্চলত জীপ ছাফাৰী কৰাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় অৰ্কিড আৰু জৈৱ বৈচিত্ৰ উদ্যান আৰু হাতীখুলি চাহ বাগিচা ভ্ৰমণ কৰিব। বিয়লি ৰাজ্য চৰকাৰৰ উদ্যোগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০

সমাপ্ত